# শ্ৰীমদ্ ভগৱদ্ গীতা

[ চমু সংস্কৰণ ]

শ্ৰীদেৱানন্দ ভৰালি

( পূৰ্ব্বাভাষ )

॥ ২ ॥

এইখন শাস্ত্ৰই যুগ যুগ ধৰি কোটি কোটি মানুহৰ অন্তৰ শাত কৰি আহিছে। ভাৰতৰ বাহিৰে অইন দেশৰ মানুহেও এই শাস্ত্ৰক দুৰ্গত প্ৰাণত শান্তিদায়ক আৰু শোক-সন্তাপক্ষত হৃদয়ৰ প্ৰলেপ বুলি স্বীকাৰ কৰিছে। পোন প্ৰথমে গীতাৰ ইংৰাজী ভাঙনী যিখন কৰা হৈছিল তাৰ পাতনিত গৱৰ্ণৰ জেনেৰেল্ হেষ্টিংছে এই বুলি লিখিছিল "ভাৰতবৰ্ষত যেতিয়া বৃটিছ শাসনৰ ওৰ পৰিব আৰু বৃটিছ সাম্ৰাজ্য কেৱল বুৰঞ্জীৰ পাততহে থাকিব, তেতিয়াও এই শাস্ত্ৰৰ আদৰ নকমিব। এই শাস্ত্ৰ সকলো কালৰ আৰু সকলো দেশৰ" গীতা শাস্ত্ৰ অন্তৰ্নিহিত মানৱ প্ৰকৃতিৰ স্পষ্ট ব্যাখ্যা। ঈশ্বৰোপাসনাৰ ধৰা বন্ধা নিয়ম ইয়াত নাই।

যিকালত গীতাৰ আবিৰ্ভাৱ হৈছিল, তেতিয়া ভাৰতবৰ্ষত আধ্যাত্মিক চিন্তাৰ ঢৌ উঠিছিল। ভাৰত কিয়, গ্ৰীছ আৰু চীন দেশতো তেতিয়া আধ্যাত্মিকতাৰ বান উঠিছিল। সেই কাল খৃষ্ট জন্মৰ ৫০০ বছৰমানৰ আগতে বুলি বিবেচ্য হয়। সেই সময়তে ভাৰতৰ আধ্যাত্মিক প্ৰতিভা বহুমুখী হৈ বিকশিত হৈছিল ; যেনে সাংখ্য, যোগ, পূৰ্ব মীমংসা উত্তৰ মীমাংসা বা বেদান্ত, বৌদ্ধ আৰু জৈন মতবাদ। এনে অৱস্থাত ঈশ্বৰ, জীৱ, ইহকাল পৰকাল আৰু বেদ, ইত্যাদি কথাত মানুহৰ মনত ভাবৰ বিপৰ্য্যয় ঘটিছিল : ধৰ্ম্ম কোনটো, অধৰ্ম্ম

কোনটো ; কৰ্ত্তব্য কি, অকৰ্ত্তব্য কি, এইবোৰ লৈ ভাবৰ খেলিমেলি লাগিছিল ; জীৱন যাত্ৰাৰ পথ নিৰ্দ্ধাৰণ কৰা টান হৈছিল। ফলত সমাজ ধ্বংস মুখী হৈছিল। জৈন আৰু বৌদ্ধ মতবাদৰ প্ৰভাৱত দেশত ক্ষপণক আৰু ভিক্ষুৰ সংখ্যা ক্ৰমং বা ঢ়যলৈ ধৰিছিল আৰু সমাজৰ ওপৰত সেই নিষ্কৰ্ম্মী মানুহবোৰ এটা গধুৰ বোজা স্বৰূপে হৈছিল। এনে উৎপীড়নৰ পৰা দেশক ৰক্ষা কৰিবলৈকে গীতাৰ আবিৰ্ভাব হৈছিল। সেয়ে নোহোৱা হলে কি জানি ভাৰতবৰ্ষ এখন দ্বিতীয় তিববত দেশলৈ ৰূপান্তৰিত হ'ল হেতেন। তাৰ পিচত হয়তো ইচ্লাম ধৰ্ম্মৰ গৰাহত ভাৰতৰ আত্ম বিলোপ হ'ল হেঁতেন। তেনে আত্ম বিলোপ এতিয়াও ঘটিব পাৰে, যদিহে ভাৰতবাসীয়ে সন্থম নহয় ; যদিহে ভাৰতবাসীয়ে গীতালৈ অৱহেলা কৰে। কাৰণ, ভাৰতাত্মাৰ অস্তিত্ব গিৰী নদী, উপবন, তাজ আৰু কুটুবমিনাৰ, ভীলাই, ৰূৰ্কিলা আদি ভীমকায় কাৰ্খানা আৰু ভাখ্রা আদি দানবীয় হাইডল প্ৰজেক্টৰ ওপৰত নিৰ্ভৰ নকৰে। তেনেকুৱা দেশ বহুতো আছে। ভাৰত হৈছে সেই দেশ যি দেশৰ মানুহৰ অন্তৰ,— বেদ, উপনিষদ, গীতা, ভাগৱত, মহাভাৰত, আদি অমূল্য গ্ৰন্থৰাজিৰ ভাব ধাৰাৰে পৰিসিক্ত। এনে মানুহৰ সংখ্যা এই ভূখণ্ডত নাইকিয়া হলে বা কমি গলে সেই ভূখণ্ড ভাৰত নামৰ অযোগ্য হব।